হেলেম চাহ বাগিচাত আৱিষ্কৃত তামৰ ফলি ঃ

২০০৮ চনৰ এপ্ৰিলত গহপুৰ অঞ্চলৰ হেলেম চাহ বাগিচাৰ ১ নং লাইনৰ বাসিন্দা পাস্কেল এক্কা নামৰ এজন মানুহে নিজৰ চৌহদত মাটি খান্দোতে তিনি ফুট তলত তিনিখন তামৰ ফলিৰ লগতে কিছুমান শিলৰ আৰু মাটিৰ পূজাৰ আহিলাৰ লগতে ধাতৱমূৰ্তি আৰু পাত্ৰ উদ্ধাৰ হৈছিল। পিছত ১৫/০৭/২০০৮ তাৰিখে উক্ত সম্পদবোৰ তেজপুৰ জিলা সংগ্ৰহালয়লৈ সংৰক্ষণৰ বাবে নিয়া হয়। এই খবৰ পাই ১৪/১১/২০০৮ আৰু ০৩/০৭/২০০৯ তাৰিখে আমি উক্ত সম্পদবোৰ চাওঁগৈ। ইয়াৰ মাজতে ২০০৯ চনৰ জানুৱাৰীৰ 'গৰিয়সী'ত ড° সতীশ চন্দ্ৰ ভট্টাচাৰ্যৰ 'হেলেম চাহ বাগিচাত আৱিষ্কৃত তিনিখন তামৰ ফলি' শিৰোনামেৰে উক্ত ফলিকেইখনৰ পাঠ আৰু আনুষংগিক কিছু কথাৰে এটা প্ৰবন্ধ প্ৰকাশ হয়। ইয়াৰ পিছতে ড° ভট্টাচাৰ্যই আমাৰ তৰফৰ পৰাও ফলিকেইখনৰ বিষয়ে লিখিবলৈ বিশেষ অনুৰোধ জনাইছিল। ইতিহাস আৰু সংস্কৃতিৰ ছাত্ৰ হিচাপে এক অনুসন্ধিৎসাৰ বশৱৰ্তী হৈ লগতে ড° ভট্টাচাৰ্যৰ অনুৰোধকো ৰক্ষা কৰি এই লেখক আৰু ড° ক্ষেমৰাজ নেপালৰ সহায়ত ফলিকেইখনৰ বিষয়ে কৰা আলোচনা ২১/০২/২০১০ তাৰিখৰ আমাৰ অসম দৈনিক কাকতত প্ৰকাশ হৈছিল। এইক্ষেত্ৰত ড° ভট্টাচাৰ্যৰ উক্ত লেখায়ো আমাক যথেষ্ট সহায় কৰিছে।

ফলিৰ বৰ্ণনা ঃ

উদ্ধাৰ কৰা তাম্রপত্র তিনিখন আছিল বুলি ইতিমধ্যে উল্লেখ কৰা হৈছে। প্রতিটীয়া পুথি একেলগ কৰি বান্ধিব পৰাকৈ তলে-ওপৰে দুচলা কাঠৰ পাট দিব দৰে এই ফলিকেইখনকো একত্র বান্ধিব পৰাকৈ তিনিচলা তামৰ পাট আছে। প্রতিখন ফলি একে সমান জোখৰ (১৫ চেণ্টিমিটাৰ × ৭.৮ চেন্টিমিটাৰ)। প্রতিখন ফলিৰ দুয়ো পিঠিতে লিখা আছে। ইয়াৰে প্রথমখন ফলিৰ প্রথম আৰু দ্বিতীয় দুয়ো পিঠিতে ৭ শাৰীকৈ মুঠ ১৪ শাৰী আৰু তৃতীয়খন ফলিৰ প্রথম পিঠিত ৯ শাৰী আৰু দ্বিতীয় পিঠিত ৭ শাৰীকৈ মুঠ ১৬ শাৰী আখৰ আছে।

এই ফলিকেইখনৰ ভিতৰত দ্বিতীয় আৰু তৃতীয় ফলিৰ আখৰ যথেষ্ট পৰিমাণে নষ্ট হৈছে। সেইবাবে সেই অংশৰ পাঠ সম্পূর্ণকৈ উদ্ধাৰ কৰা সম্ভব নোহোৱাত ইতিহাসৰ গুৰুত্বপূর্ণ তথ্য লাভৰ পৰা আমি বঞ্চিত হৈছোঁ বুলি আমাৰ অনুভৰ হয়। ফলিকেইখন প্রাচীন অসমীয়া লিপিত লিখিত যদিও আপাত দৃষ্টিত ইয়াৰ লিখন দুটা সময়ত লিখা যেন আমাৰ বিশ্বাস। উল্লেখনীয় যে এই ফলিকেইখন গদ্যত ৰচিত বুলি ড° ভট্টাচার্যই লিখিছে যদিও আচলতে ই পদ্যতহে লিখিত। ইয়াৰ প্রথম ফলিখন সম্পূর্ণকৈ 'শ্লোক' নাইবা 'অনুষ্টুপ' ছন্দত ৰচিত আৰু বাকী দুখনতো বিভিন্ন ছন্দৰ প্রয়োগ পোৱা যায়। অৱশ্যে, ইয়াৰ মাজতো গদ্যৰ প্রয়োগ আছে নে নাই, ফলিকেইখন অস্পষ্ট হোৱাত সেয়া ক'ব পৰা নগ'ল। অসমৰ আন শিলালেখসমূহত পোৱাৰ দৰে এই ফলিকেইখনতো শ, ষ আৰু সৰ অনিয়মিত প্রয়োগ দেখা যায়। তদুপৰি কিছুমান অচিনাকি শব্দৰ প্রয়োগো মন কৰিবলগীয়া। আলোচ্য ফলিকেইখনৰ পাঠ্যাংশ শ্লোকাকাৰে তলত দিয়া ধৰণে সজাব পাৰি।

প্রথম ফলি (প্রথম ভাগ) ঃ

বিনায়কং শিবং সূর্য্যো বিষ্ণু দুর্গা সুৰক্ষতাম্।
দাতাৰং পালকং তস্য সাষনস্য দ্বিজন্মনঃ।।১।।
বাচ্য গোত্রায় বিপ্রায় পতানাভায় (পদ্মনাভায়) ধীমতো।
শ্রীমদ্গৌতম গোত্রাংসৌ ভূপমাদ্যো ভগীৰথঃ।।২।।
নৰকুঞ্জীথ বৈকানাম গন্ত্রীয়ম ক্রীত্বা সা বাটিকা-।
-মাপুবালৈৰষ্ঠভিস্তস্মৈ দদৌ শ্রীকৰুণাধিপঃ।।৩।।
সীমা সম্যক নির্দ্দেয়া পূর্বাস্যামস্যৈব বাটিকা।

প্রথম ফলি (দ্বিতীয় ভাগ) ঃ

উদীচ্যাং সাসন পুন্যাং (গুণ্যাং) বাৰুণ্যাং লোহিতঃ পমা।।৪।।
যাম্যাং সাসৰজনী গন্ত্রী-মন্ত্রী-পালাদিভিঃ কৃতা।
শ্রীগয়া সুদিনেৰাব্ধি কামৰূপম্ সুসাসতি।।৫।।
আসাঢ় মাস দশমী শুক্লায়াং সাসনন্দদৌ।
শাকে বামে তথা পক্ষে বামে চন্দ্রে শুভে দিনে।।৬।।
শ্রীমান জয়ৰৰো মিশ্রঃ প্রাকাৰোৎ শ্লোক
মঞ্চয়ান শ্রী [illegible]।।
দ্বিতীয় ফলি (প্রথম ভাগ) ঃ
কর্মকৰ কৃষ্ণপাদ পদ্ম মধুব্রত পুৰ।
চক্রপাণি দ্বিজস্তস্মাদাসীৎ সত্যপৰায়ণঃ।।১।।
বিদ্বান বিশ্বস্তবৃজিনো মান্য সজ্জনমঞ্চয়ৈঃ।
পদ্মনাভোভৰদ্ভুৰি সূৰি বিপ্রাগ্রণী সুতঃ।।২।।
ধর্মাত্মা নিজবৎসাজ্ঞ বোধকো ভানুসন্নিভঃ।
গন্ত্রীয় (গন্ত্রীষু) ভাগপত্তীনাং সাক্ষৰৈৰষ্টৰূপ্যকৈঃ।।৩।।
ক্রীত্বাভূমিং শিখাসূন্যং বাটিদ্বয়সমন্বিতাং।
দদৌ তস্মৈ তুলাৰাসৌ যুগাদ্যাখ্যে সসাসনং।।৪।।
দৈত্যা বিদাঘসুদ্দীয়ং তাম... (বাকী অস্পষ্ট)
দ্বিতীয় ফলি (দ্বিতীয় ভাগ) ঃ

দ্বিতীয় ফলিৰ দ্বিতীয় ভাগৰ বাওফালৰ পাঠ সম্পূর্ণ অস্পষ্ট। ফলিখনৰ সোঁফালৰ কিছু অংশহে চকুত পৰে। আমাৰ চকুত পৰা পাঠৰ অংশবিশেষ শাৰী অনুসৰি দিয়াৰ চেষ্টা কৰা হৈছে।

১। ... গন্ত্রী উদীচ্যাং সিধ্বয়া
২। ... উদীচ্যাং সংগত
৩। ... পৰকীর্তি গগন্ত্রীপা
৪। ... চুকেঃ। শ্রীমদ্বা (দ্ভা?)
৫। ... (কাম) ৰূপমভিসম্প (স্প্র)তি
৬। ... ভূত। যবনেশ মহাশয়াৎ।

উল্লেখনীয় যে দ্বিতীয় ফলিৰ দ্বিতীয় ভাগৰ শেষত দেখা পোৱা ৰাজ্ঞন 'ত

(ৎ) অর্থাৎ যবনেশ মহাশয়াৎ — এই বাক্যাংশৰ 'ৎ' আচলতে তৃতীয় ফলিৰ প্রথম ভাগৰ আৰম্ভণিতহে দেখা যায়। আৰু এই 'ৎ'ৰ পিছত পূর্ণ বিৰাম চিন থকাৰ কাৰণে ইয়াক দ্বিতীয় ফলিৰ দ্বিতীয়ভাগৰ শেষলৈ আনি 'মহাশয়াৎ' কৰা হৈছে, যাৰ অর্থ হ'ব (যবনাধিপতি) মহাশয়ৰ পৰা...।

তৃতীয় ফলি (প্রথম ভাগ) ঃ

এই ফলিৰ আদিতে 'বসন্ততিলক' ছন্দত ৰচিত এটি সুন্দৰ শ্লোক পোৱা যায়। 'বসন্ততিলক' ছন্দত 'ত, ভ, জ, জ, গ আৰু গ' গণযুক্ত উক্ত ছন্দৰ সূত্র অনুসৰি থাকিব লগা হ্রস্ব / লঘু (ᴗ) আৰু দীর্ঘ /গুৰু (-) বর্ণৰ চিন/চিহ্ন দি অস্পষ্ট অংশ পূৰণ কৰা হৈছে।

এইখিনিতে ফলিৰ তৃতীয় শাৰীৰ 'ৰৰাহঃ' শব্দহে অৱশিষ্ট থাকে। ইয়াৰ পিছৰ পাঠ অস্পষ্ট হোৱাত আমি ফলিৰ শাৰী হিচাপেহে ইয়াত তুলি দিয়াৰ চেষ্টা কৰিছোঁ।

১। সিন্দুৰ সুন্দৰ নিজ স্থিৰ দেহ ... ᴗ...ᴗ... আকৃতি দেহ ৰক্ত।

২। আদিত্য ভক্তি প্রতি পূজিত ... ᴗ... কৰোতি কুশলং পৰিতোষ দেবঃ।।

৩। ৰৰাহঃ

৪। × × প্রচয়সপতো নভস্তুতো × × দ্বেত্তোনাক্ষাং শসধৰ

৫। নিতে সন্তসকলে দেবদ্রোমাগর্জন পানীয়স্বকলানমভারগ্রস্তা

৬। সুজনধৰৰৰাবাৰ বিকতং × × × প্রকাশ নিজকুল কমলো

৭। দেযভাস্বা প্রকাসো × × × × পৰিণত বিপুলৈঃ

৮। শ্বযৰীৰাদি × × × × × বিতত বিপুৰৈ

৯। × আভুতোজনা × × × × × বোধনৈক প্রধানঃ।

ইয়াতে তৃতীয় ফলিৰ প্রথম ভাগ শেষ হয়।

তৃতীয় ফলি (দ্বিতীয় ভাগ) ঃ

তৃতীয় ফলিৰ এইভাগো 'স্রগ্ধৰা' ছন্দত ৰচিত এটি শ্লোকেৰে আৰম্ভ হোৱা দেখা যায়। এই ছন্দত 'ম, ৰ, ভ, ন, য়, য় আৰু য়' গণ থাকে। উদ্ধাৰিত পাঠৰ অংশসমূহ শ্লোকৰ সংজ্ঞা অনুসৰি তলত দিয়া ধৰণে সজাব পাৰি।

১। তস্মাজ্জাতো মহাত্মান্নমৰ ইতি সদা সামদানৈক জ্ঞানঃ

২। স্বান্তোমানো মনস্বী মদনশ্বৰ সনা সূৰিবীৰ প্রবীৰ।

৩। গৌড়াধীশালিবাৰ প্রচুৰ বিপুচয়ান্ যো বিজিত্যাত্মাবীর্যৈঃ

স্তস্মাল্লেভেৰৰ। (ইয়াত তৃতীয় শাৰী শেষ হোৱাৰ লগতে 'স্রগ্ধৰা' ছন্দও

ব্যাহত হৈছে। ইয়াৰ পিছৰ পাঠ ফলিত পোৱা শাৰী হিচাপে দিয়া হৈছে।)

৪। বালকামাশ্রিতা সমাধিপত্যস্ববিনুং দৈত্যাৰি দামোথৰ (দামোদৰ)

৫। বেতস্মাভ্রাত্মা স্তুতবেদ্ধ গণাগ্রগণ্যঃ। দেৱদ্বিজাৰাধন

৬। কমনিষ্ঠ। সম্প্রাপ্ত মন্ত্রীকপদঃ ক্ষিতীন্দ্রাৎ

৭। গোত্রেভবদ্বিষঃ পীতাম্বৰ ইতিস্মৃতঃ ব্রহ্মা।

এই ফলিত পোৱা— দেৱদ্বিজাৰাধন কর্মনিষ্ঠঃ।

সম্প্রাপ্ত মন্ত্রীকপদঃ ক্ষিতীন্দ্রাৎ। এই পাদদ্বয়ত ইন্দ্রবজ্রা ছন্দৰ প্রয়োগ দেখা যায়। সেয়ে এই শাসন তিনিখনত অনুষ্টুপ, বসন্ততিলক, স্রগ্ধৰা আৰু ইন্দ্রবজ্রা ছন্দৰ উদাহৰণ মন কৰিবলগীয়া।

শাসনত্রয়ৰ অর্থ ঃ

প্রথম ফলি ঃ

বিনায়ক (গণেশ), শিব, সূর্য, বিষ্ণু আৰু দুর্গাই এই শাসনৰ দাতা গৌতম গোত্রীয় বজা ভগীৰথ আৰু গ্রহীতা বাচ্যগোত্রীয় ধীমান দ্বিজ পতানাভক (পদ্মনাভ) ৰক্ষা কৰক। নরকুঞ্চিত (ন-কুছি) থকা বেকা (বৈকা) নামৰ অনুচৰৰ পৰা কিনা আঠ পুৰা বাৰী মাটি কৰুণাৰ সাগৰ বজাই তেওঁক (বিপ্রক) প্রদান কৰিছে। এই মাটিৰ সীমা তলত দিয়া ধৰণে নির্ধাৰণ কৰা হৈছে— পূৰে এই বাৰীৰ অংশবিশেষ। উত্তৰে শাসনোক্ত মাটি। পশ্চিমে লোহিত পসা (লোহিতৰ পাশলৈ) আৰু দক্ষিণে শ্রীগয়াচুন্দিনে কামৰূপ শাসন কৰা সময়ত গন্ত্রী (অনুচৰ) মন্ত্রী-পালী আদিয়ে ভোগ কৰা মাটি। আহাৰ মাহৰ শুক্লা দশমী তিথিত এই মাটি প্রদান কৰা হৈছে। শক ১৩২১ (অর্থাৎ ১৩৯৯ খ্রীষ্টাব্দ)। শ্রীমান জয়ৱৰো মিশ্রই এই শ্লোক মঞ্চন (লিখন-পৰিৱেশন) কৰিছিল। উল্লেখনীয় যে এই ফলিৰ আৰম্ভত স্বস্তিবাচক শ্রী আখৰটো তলে-ওপৰে যোগ কৰি লিখা হৈছে।

দ্বিতীয় ফলি ঃ

শ্রীকৃষ্ণৰ পাদপদ্মৰ মধুকৰস্বৰূপ সত্যপৰায়ণ দ্বিজ চক্রপাণিৰ পদ্মনাভ নামৰ পুত্রৰ জন্ম হৈছিল, যিজন আছিল বিদ্বানসকলৰ মাজত অগ্রগণ্য। সূর্যসম ধর্মাত্মা এইজন দ্বিজশ্রেষ্ঠক ভাগপত্তীৰ (ভাগৱতী) পৰা আঠ টকাত ক্রয় কৰা শিখাশূন্য (কৰমুক্ত-বিৰিখমুক্ত) দুখন বাৰী (বাটিকা) যুগৰ আদিত তুলাৰাশিৰ দিনা দান কৰি শাসনেৰে সৈতে দিয়া হৈছে।

এই ফলিৰ দ্বিতীয় ভাগৰ অধিকাংশ অস্পষ্ট হোৱাত পাঠোদ্ধাৰ কৰি অর্থ দিব

পৰা নহ'ল যদিও ফলিৰ শেষত থকা 'যৱনেশ মহাশয়'ৰ প্ৰয়োগ বিষ্ণু মন কৰিবলগীয়া।

তৃতীয় ফলি ঃ

তৃতীয় ফলিৰো অধিকাংশ অস্পষ্ট। তৎসত্ত্বেও দুটামান শাৰীৰ অৰ্থ প্ৰকাশ কৰাৰ চেষ্টা কৰা হৈছে। 'সেন্দুৰৰ দৰে সুন্দৰ আকৃতিৰ আদিত্যদেৱে নিজৰ ভক্তক মংগল প্ৰদান কৰক। ... মহাত্মা, জ্ঞানীসকলৰ মান্য, সামদানাদি নীতিজ্ঞ, স্বাস্থ্যবান, মদনৰ (কামদেৱৰ) দৰে সুন্দৰ, বীৰ — যিজনে গৌড়াধিপতিৰ সৈন্যক নিজৰ পৰাক্ৰমেৰে পৰাস্ত কৰিছিল তেওঁ ... (বাকী অংশ অস্পষ্ট)।

'দেৱ আৰু দ্বিজক আৰাধনা কৰাত নিপুণ, কৰ্মনিষ্ঠ এইজন ক্ষিতীন্দ্ৰৰ পৰা (ৰজাৰ পৰা) মন্ত্ৰীপদ লাভ কৰিছিল। এওঁ পীতাম্বৰ নামৰ ব্ৰাহ্মণ আছিল।'

এই ফলি তিনিখনৰ তুলনা কৰিলে দেখা যায় যে ইয়াৰে প্ৰথমখন ফলি সম্পূৰ্ণ, য'ত দাতা আৰু গ্ৰহীতাৰ নাম আৰু দান কাৰ্যৰ নিশ্চিত চন-তাৰিখ আছে। দ্বিতীয় ফলিত তুলা ৰাশিত দানকাৰ্য সম্পন্ন হোৱাৰ কথা পোৱা যায় যদিও চন-তাৰিখৰ উল্লেখ নাই। দ্বিতীয় ফলিত চক্ৰপাণিৰ পুত্ৰ পদ্মনাভৰ উল্লেখ আছে। প্ৰথম ফলিৰ গ্ৰহীতা পতানাভ (পদ্মনাভ) আৰু দ্বিতীয় ফলিৰ পদ্মনাভ একেজন ব্যক্তি বুলি কোৱাৰ থল আছে। তদুপৰি প্ৰথম শ্ৰীগয়াসুদিনে (গিয়াচুদ্দিন) কামৰূপ শাসন কৰা আৰু তৃতীয় ফলিত এজন ৰজাই গৌড়াধিপতিক (গৌড়ৰ অধিপতি) পৰাস্ত কৰা ঐতিহাসিক তথ্য সন্নিবিষ্ট হৈ আছে যদিও উক্ত ৰজাজনৰ নামৰ উল্লেখ পোৱা নগ'ল। ফলিকেইখনৰ পাঠ বহু ঠাইত অস্পষ্ট হোৱাত বহু তথ্য পোহৰলৈ আনিব পৰা নগ'ল। প্ৰথম ফলিৰ মংগলাচৰণত গণেশ, শিৱ, বিষ্ণু, সূৰ্য আৰু দুৰ্গা — এই পঞ্চদেৱৰ উল্লেখ তদানীন্তন সমাজৰ ধৰ্ম-সংস্কৃতিৰ সমন্বয়াত্মক স্বৰূপৰ কথা সদৰী কৰিছে। কিয়নো উক্ত পঞ্চদেৱতাই হ'ল ভাৰতীয় পৰম্পৰাৰ গাণপত্য, শৈৱ, বৈষ্ণৱ, সৌৰ আৰু শাক্ত— এই পাঁচটা সম্প্ৰদায়বিশেষৰ প্ৰতিনিধি। এই পঞ্চদেৱৰ সমন্বয়ৰ ফলতে গঠিত হয় উক্ত পাঁচটা সম্প্ৰদায়। উল্লেখনীয় যে এই পঞ্চদেৱৰ (পাঞ্চায়ন) পূজা-অৰ্চনাৰ যি পৰম্পৰা গঢ়ি উঠিছিল, সেয়া আজিও প্ৰচলিত। আলোচ্য প্ৰথমখন ফলিয়ে অসমতো পাঞ্চায়নৰ (পঞ্চদেৱ) উপাসনা পদ্ধতি যে মধ্যযুগত প্ৰচলিত আছিল, তাকেই প্ৰমাণ কৰিছে।

ফলিকেইখনৰ ঐতিহাসিক মহত্ত্ব ঃ

এই ফলিকেইখনৰ ঐতিহাসিক গুৰুত্বৰ দিশ কেইবাটাও। বিশেষকৈ চতুৰ্দশ শতিকাৰ নামনি অসমৰ ৰাজনৈতিক অৱস্থাৰ বিষয়ে জানিবলৈ স্থানীয়ভাবে সংস্কৃততে লিখা ইয়াক এক অব্যৰ্থ দলিল বুলিব পাৰি। কিয়নো, ইয়াত সন্নিবিষ্ট কিছু তথ্য সমসাময়িক সাহিত্যিক সম্বলত দুষ্প্রাপ্য। এই ফলিকেইখনে উন্মোচন কৰা বিভিন্ন দিশবোৰ হ'ল—

(ক) প্ৰথম ফলিখন লিখাৰ সময়ত কামৰূপ খণ্ডৰ শাসনকৰ্তা আছিল গিয়াচুদ্দিন আজম শাহ। সেই সময়ত তেওঁ গৌড়ৰ অধিপতি নাইবা বংগদেশৰো চুলতান আছিল। বংগৰ স্বাধীন চুলতান ছিকন্দৰ শাহৰ পুত্ৰ গিয়াচুদ্দিনে ১৩৯৩-১৪১০ চনলৈকে বংগৰ চুলতান হৈ থকা সময়ত নামনি অসম শাসন কৰাৰ চিনস্বৰূপে কোচবিহাৰ আৰু গুৱাহাটীত তেওঁৰ নামযুক্ত কিছুমান মুদ্ৰা আৱিষ্কৃত হৈছে (Comprehensive History of Assam : Vol- II 1992 P.44)। তেওঁ এজন ন্যায়পৰায়ণ তথা সুশাসক যে আছিল সেই কথা পাৰ্চিয়ান সাহিত্যত উল্লেখ থকাৰ দৰে এই ফলিতো লেখা পোৱাটো অতি তাৎপৰ্যপূৰ্ণ। ১৩৯৯ চনত হাজোৰ ন-কুছিক কেন্দ্ৰ কৰি কামৰূপৰ উত্তৰ পাৰৰ একাংশ তেওঁৰ শাসনাধীন আছিল বুলি এই ফলিয়ে প্ৰতিপন্ন কৰিছে।

(খ) ফলিৰ দাতা ভগীৰথ আছিল এজন সামন্ত ৰজা বা ভূঞা। তেওঁ মূলতঃ কমতাপুৰৰ ৰজাৰ অধীনস্থ সামন্ত যদিও সাময়িকভাবে যবন বা মুছলমানসকলৰ পৰাধীন হৈ থকা সময়তো আনৰ মাটি-বাৰী উচিত মূল্যত কিনি লৈ কামৰূপৰ ন-কুছি গাঁৱৰ পদ্মনাভ (পতানাভ) ব্ৰাহ্মণক দান কৰা দেখা যায়।

(গ) এই ফলিকেইখনৰ দানৰ সময়ত উজনি অসমত আহোম ৰজা আছিল স্বৰ্গদেউ চুডাংফা বা বামুণী কোঁৱৰ (১৩৯৭-১৪০৭ চন)। অসম বুৰঞ্জীৰ পৰা জানিব পাৰি যে এইজনা স্বৰ্গদেউৰ দিনত কমতা ৰজাই মুছলমান আক্ৰমণৰ বাবে আহোম ৰজাৰ পৰা সামৰিক সাহায্য লাভ কৰি আক্ৰমণকাৰী মুছলমান সৈন্যক কৰতোৱা নদীৰ সিপাৰ কৰি খেদি পঠিয়াইছিল। সেই যুদ্ধখন ১৪০০-১৪০৫ চনৰ ভিতৰত হৈছিল বুলি অনুমান কৰা হৈছে। উক্ত যুদ্ধত গৌড়াধিপতি নাইবা বংগৰ চুলতানক পৰাস্ত কৰাত বীৰত্ব দেখুওৱাৰ স্বীকৃতিস্বৰূপে পীতাম্বৰ ব্ৰাহ্মণক কমতাপুৰৰ ক্ষিতীন্দ্ৰই (ৰজা) মন্ত্ৰী পাতিছিল বুলি আলোচ্য তৃতীয় ফলিৰ পৰা জানিব পাৰি। ফলিৰ নষ্ট/অস্পষ্ট হোৱা পাঠ্যাংশত কমতাপুৰৰ উক্ত ৰজাজনৰ নাম নিশ্চয় খোদিত আছিল। অৱশ্যে, বুৰঞ্জীৰ পৰা তেওঁৰ নাম মৃগাংক আছিল বুলি

জানিব পাৰি (Assam-Muslim Relation and its Cultural Significance, by Dr. M. Saikia, 1967, P-77)।

(ঘ) ফলিত উল্লেখিত নৰকুঞ্চিয়েই হ'ল আজিৰ ন-কুছি গাঁও, যি হাজোৰ পৰা কিছু পুৰে অৱস্থিত। এই গাঁওখন ব্ৰাহ্মণ, ভূঞা আদি প্ৰভাৱশালী, বিদ্বান তথা অৱস্থাপন্ন লোকেৰে যে এসময়ত পৰিপূৰ্ণ এখন সমৃদ্ধিশালী গাঁও আছিল সেই কথা আলোচ্য হেলেম ফলিৰ পৰা জানিব পাৰি। এই প্ৰসংগতে উল্লেখনীয় যে ১৯৯৪ চনত এই ন-কুছি গাঁৱৰ ওচৰতে কলাজল নৈৰ পাৰত উদ্ধাৰ হৈছিল ৮ম-৯ম শতিকা শালস্তম্ভ নৃপতিৰ ৰাজত্বকালীন ৭৮০টা প্ৰচীন মুদ্ৰা (The Coinage of Assam, by N. G. Rhodes & S. K. Bose, Calcutta, 2003, P-19)। এইবোৰ তথ্য-প্ৰমাণে ন-কুছি গাঁৱৰ ঐতিহ্যৰ প্ৰাচীনতাৰ দিশ উন্মোচন কৰে।

(ঙ) আলোচ্য প্ৰথম ফলিত দান কৰা বাৰী মাটিৰ পশ্চিম সীমা 'লোহিত্য পসা'ৰ উল্লেখৰ পৰা জানিব পাৰি যে চতুৰ্দশ শতিকাত হাজোৰ কাষেদি অৰ্থাৎ হাজো সোঁতাইদি ব্ৰহ্মপুত্ৰ প্ৰবাহিত হৈছিল।

(চ) সংস্কৃত ভাষাত লিখিত প্ৰাচীন অসমৰ তাম্ৰপত্ৰসমূহৰ ভিতৰত হেলেম ফলিতেই প্ৰথমবাৰৰ বাবে এজন মুছলমান শাসকৰ নাম উল্লেখ পোৱা গৈছে।

(ছ) হেলেম ফলিৰ দাতা আৰু গ্ৰহীতাসকল পঞ্চদেৱতাৰ উপাসক আছিল আৰু ফলিৰ লগত প্ৰাপ্ত বিভিন্ন পত্ৰবোৰ আছিল সেই পৰিয়ালৰ সম্পত্তি। এইবোৰৰ ভিতৰৰ সৰু সৰু মূৰ্ত্তিবোৰ হৈছে— পিতলৰ গজলক্ষ্মী ১, দশভুজা দুৰ্গা ১, শিলৰ গণেশ ১, বিষ্ণু ১, শিৱলিংগ ১, মাটিৰ শিৱলিংগ ২, সহজে দেখিবলৈ নোপোৱা বিৰল আৰু বিশেষ বৈশিষ্ট্যপূৰ্ণ শালগ্ৰাম ৫ আৰু ১১×১১ চেণ্টিমিটাৰ জোখৰ শিলৰ এটা বিষ্ণু যন্ত্ৰ। এইবোৰৰ উপৰি পিতলৰ লোটা ৩, কাঁহ-পিতল মিলাই মুঠ বাটি ৬, তাৰে এটা হ'ল নালযুক্ত আৰু এটা সৰু, তামৰ বেলপাত ৩, আৰু এটা সৰু টিলিঙা। লক্ষণীয় যে ইয়াৰে দুটামান লোটা আৰু বাটি নষ্টপ্ৰায়। এই সকলোবোৰ আহিলাৰ ভিতৰত শিলৰ যন্ত্ৰ উদ্ধাৰ হোৱাটো অতি তাৎপৰ্যপূৰ্ণ।

উক্ত সামগ্ৰীসমূহ দেখিয়েই বুজিব পাৰি যে এইবোৰ তদানীন্তন সমাজৰ উৎসৱ-পৰ্ব, পূজা-অৰ্চনা আদিৰ উপৰি দৈনন্দিন জীৱনত নিত্য ব্যৱহাৰ্য আছিল। এই দুষ্প্ৰাপ্য সামগ্ৰীবোৰেই হৈছে চতুৰ্দশ শতিকাৰ অসমীয়া সমাজৰ জীৱন্ত আহিলা। হেলেম ফলিৰ সম্পূৰ্ণ পাঠ উদ্ধাৰ কৰা সম্ভৱ হোৱা হ'লে চতুৰ্দশ শতিকাৰ নামনি অসমৰ অন্ধকাৰ যুগৰ বহু ৰাজনৈতিক তথ্য পোহৰলৈ